# পঢ়াৰ আনন্দ




দলিলগুচ্ছ নং: ৮৫
ট্ৰাইকন্টিনেণ্টেল: ইনষ্টিটিউট ফৰ ছ'চিয়েল ৰিচাৰ্চ
ফেব্ৰুৱাৰী, ২০২৫

RED BOOKS DAY

tricontinental

এই দলিলগুচ্ছৰ শিল্পকৰ্মসমূহ ২০২৫চনৰ ৰেড বুক্‌ছ ডে’ কেলেণ্ডাৰৰ পৰা লোৱা হৈছে। ইণ্টাৰনেচনেল ইউনিয়ন অফ লেফট পাৰ্লিয়ামেন্টাৰিয়ানছৰ যৌথ উদ্যোগত প্ৰস্তুত কৰা বাৰটা শিল্পকৰ্মৰ প্ৰতিটোৱে বিশ্বৰ বিভিন্ন অঞ্চলৰ এখন ৰেড বুকৰ দ্বাৰা অনুপ্ৰাণিত। ৰেড বুক্‌ছ ডে’-এ বাওঁপন্থী গ্ৰন্থ, সেইসমূহৰ লেখক আৰু ১৮৪৮ চনৰ ২১ ফেব্ৰুৱাৰীত কাৰ্ল মাৰ্ক্স আৰু ফ্ৰিড্ৰিখ এংগেলছে কমিউনিষ্ট ইস্তাহাৰ প্ৰকাশৰ মাজেৰে আৰম্ভ হোৱা জনগণৰ সংগ্ৰামক উদযাপন কৰে। এই দিনটোৰ মাজেৰে পঢ়াৰ আনন্দক উদযাপন কৰা হয়।

বেটুপাত

শিল্পকৰ্ম: কায়েল আবেল্লো (ভেনিজুৱেলা/ইউটোপিক্স আৰু ট্ৰাইকন্টিনেন্টেল: ইন্সটিটিউট ফৰ চোচিয়েল ৰিচাৰ্ছ)।

# পঢ়াৰ আনন্দ

দলিলগুচ্ছ নং:  ৮৫ । ট্ৰাইকন্টিনেণ্টেল: ইনষ্টিটিউট ফৰ ছ’চিয়েল ৰিচাৰ্চ
ফেব্ৰুৱাৰী, ২০২৫

সমগ্ৰ ৰাছিয়াই পঢ়িবলৈ শিকিছিল, আৰু পঢ়িছিল – ৰাজনীতি, অৰ্থনীতি, ইতিহাস – কাৰণ জনসাধাৰণে জানিব বিচাৰিছিল... প্ৰায় প্ৰতিখন নগৰে চহৰে, প্ৰত্যেক ফ্ৰন্টৰ, প্ৰতিটো ৰাজনৈতিক দলৰ নিজৰ বাতৰি কাকত আছিল – কেতিয়াবা একেটা দলৰে কেইবাখনো মুখপাত্ৰ আছিল। হাজাৰ বিজাৰ সংগঠনে লাখ লাখ প্ৰচাৰপত্ৰ উলিয়াই সেনাবাহিনী, গাওঁ, কাৰখানা, ৰাজপথৰ মাজত ঢালি দিছিল। ইমান দিনে বিফল হৈ থকা শিক্ষাৰ পিয়াহ যেন প্ৰকাশৰ উন্মাদনাত বিপ্লৱী ৰূপত ফাটি উঠিছিল। কেৱল স্মলনি ইনষ্টিটিউটৰ পৰাই প্ৰথম ছমাহত প্ৰতিদিনে টনে টনে, গাড়ী-বোজা, ৰেল-বোজা পৰিমাণৰ সাহিত্য প্ৰকাশ হৈ উপচি পৰিছিল। গৰম বালিয়ে পানী শোহাৰ দৰে অতৃপ্ত ৰূপত সমগ্ৰ ৰাছিয়াই পঢ়িবলৈ ধৰিছিল আৰু এইবোৰ কোনো উপকথা, ভুৱা ইতিহাস, পাতল ধৰ্মীয় সাহিত্য বা সস্তীয়া কল্পকাহিনী নাছিল যিয়ে দুৰ্নীতিৰ জন্ম দিয়ে– তাৰ পৰিৱৰ্তে আছিল সামাজিক আৰু অৰ্থনৈতিক তত্ত্ব, দৰ্শন, আৰু টলষ্টয়, গগল, গৰ্কি আদিৰ ৰচনা...


-জন ৰীড, পৃথিৱী কঁপোৱা দহ দিন, ১৯১৯

সাধাৰণ শ্ৰমজীৱি মানুহৰ বিপ্লৱী কৰ্ম কাণ্ডৰ মাজেৰে তথাকথিত সমাজৰ শিকলি চিঙি এক নতুন পৃথিৱীৰ জন্ম দিয়াৰ বাবে দাবী সজোৰে উঠিছিল। ৰাচিয়াৰ প্ৰত্যেকজন মানুহৰ, সেয়া প্ৰত্যক্ষভাৱে সমাজবাদীয়ে হওক কিম্বা জাতীয় মুক্তি আন্দোলনৰ দ্বাৰাই পৰিচালিত হওক, প্ৰাচীন সামাজিক নীতি-নিয়মসমূহক ওফৰাই পেলাই অন্তৰ্ভুক্তিমূলক আৰু সমতাবাদী সমাজ গঢ়াৰ উদ্দেশ্যে তেওঁলোকৰ মন উৎসাহ আৰু উদ্দীপনাৰে ভৰি পৰিছিল। যিহেতু বিংশ শতিকাৰ বেছিভাগ বিপ্লৱৰ নেতৃত্বত আছিল কৃষক আৰু শ্ৰমিক (মেক্সিক', ১৯১০; চীন, ১৯১১; ইৰাণ, ১৯০৫–১৯১১; ৰাছিয়া আৰু মধ্য এছিয়া, ১৯১৭), সেয়ে সেইবোৰে মূলত জমিদাৰী ব্যৱস্থাৰ জড়তা কেনেকৈ ভংগ কৰিব পাৰি তাৰ ওপৰত গুৰুত্ব দিছিল। জমিদাৰৰ ক্ষমতা ওফৰাই পেলাবলৈ কেৱল উদ্বৃত্ত মাটি বিতৰণ কৰাটোৱেই যথেষ্ট নাছিল (ভূমি সংস্কাৰ); জমিদাৰৰ ক্ষমতা উচ্চ-নীচ সামাজিক স্তৰৰ মাজতো শিপাই আছিল আৰু কোনো কোনো ক্ষেত্ৰত ই দৈৱিক ৰূপ ধাৰণ কৰিছিল। জমিদাৰ আৰু যাজক শ্ৰেণীৰ লোকে দুৰ্বোধ্য লিপিৰ ভূমিৰ ৰেকৰ্ড আৰু হিচাপ-নিকাচৰ বহীৰ জৰিয়তে কৃষকৰ ওপৰত শোষণ চলাই গৈছিল। কৃষকক পঢ়ি পাঠোদ্ধাৰ কৰাৰ পৰা বঞ্চিত কৰি তেওঁলোকক শক্তিহীন কৰি তুলিছিল, পৃথিৱীৰ অনগ্ৰসৰ অঞ্চলৰ প্ৰতিটো বিপ্লৱতে এইটো কাৰবাৰে সুস্পষ্টভাৱে ক্ৰিয়া কৰিছিল।

ঊনবিংশ শতিকাত এই দেশসমূহৰ প্ৰচলিত বুৰ্জোৱা সংস্কৃতিয়ে পঢ়াক শ্ৰেণী মৰ্যাদাৰ চিন স্বৰূপে গ্ৰহণ কৰিছিল। বাণিজ্যিক ছপাৰ আৱিস্কাৰৰ লগে লগে সমাজৰ

চৌদিশে চানি ধৰা কিতাপ আৰু বাতৰি কাকতসমূহ মূলতঃ বুৰ্জোৱা আৰু পেটি-বুৰ্জোৱা শ্ৰেণীসমূহৰহে প্ৰতিভূ আছিল। মেক্সিক'ত বেনিটো জুয়াৰেজৰ ৰাষ্ট্ৰপতিত্বৰ (১৮৫৮–১৮৭২) দিনত স্কুলীয়া শিক্ষা আৰু প্ৰকাশন উদ্যোগৰ সম্প্ৰসাৰণ ঘটিছিল যদিও এখন বাতৰি কাগজৰ দাম সাধাৰণ শ্ৰমিক বা কৃষকৰ দৈনিক উপাৰ্জনতকৈ বহু বেছি আছিল। জমিদাৰী শাসন ব্যৱস্থাৰ অধীনত থকা মেক্সিক' আৰু ৰাছিয়াৰ দৰে দেশত বা ভাৰত আৰু আফ্ৰিকাৰ দৰে উপনিবেশত সাধাৰণ শ্ৰমিক আৰু কৃষকৰ বাবে পঢ়িবলৈ সুযোগ সুবিধা একেবাৰে দুৰ্লভ বস্তু আছিল। এই দেশসমূহত যেতিয়া ট্ৰেড ইউনিয়ন আৰু কমিউনিষ্ট আন্দোলনসমূহৰ আগমন ঘটিল তেতিয়া সংগঠনসমূহে প্ৰায়ে গোপনে বাতৰি কাকত আৰু প্ৰচাৰপত্ৰ প্ৰকাশ কৰিবলৈ ধৰিছিল, তেতিয়াহে শ্ৰমিক শ্ৰেণী আৰু কৃষকসকলে পঢ়িবলৈ কিছু সুযোগ সুবিধা লাভ কৰিছিল, পঢ়িবলৈ অসমৰ্থসকলক শিক্ষিতসংগঠকসকলে পঢ়ি শুনাইছিল। সামূহিক শিক্ষাৰ এই ৰূপ সাক্ষৰতাৰ প্ৰাৰম্ভিক বিদ্যালয়ত পৰিণত হৈছিল।

'পঢ়াৰ আনন্দ' শীৰ্ষক এই দলিলগুচ্ছত সাক্ষৰতা আৰু পঢ়া শুনা কৰাৰ এনে সামুহিক পৰম্পৰাৰ ওপৰত আঁত ধৰি বৰ্তমান কালৰ মেক্সিক'ৰ পৰা আৰম্ভ কৰি ভাৰত আৰু চীনলৈকে জনপ্ৰিয় কিছু উদাহৰণ বুটলি অনিবলৈ প্ৰয়াস কৰা হৈছে। এই দলিলগুচ্ছৰ শেষ ভাগত প্ৰথমতে ভাৰতত আৰম্ভ হোৱা আৰু তাৰ পিছৰ পৰা আন্তঃৰাষ্ট্ৰীয় বাওঁ প্ৰকাশক ইউনিয়নৰ উদ্যোগত সমগ্ৰ বিশ্বতে সম্প্ৰসাৰিত হোৱা ৰেড বুক্‌ছ ডে'ৰ ওপৰত আলোকপাত কৰা হৈছে।




ভেলেণ্টিনা আগুইৰে (ভেনিজুৱেলা/ইউটোপিক্স)ৰ শিল্পকৰ্ম।

# মেক্সিকোই পঢ়ে

১৯১০ চনৰ মেক্সিক’ বিপ্লৱৰ সময়ত ১৫.১ নিযুত জনসংখ্যাৰ দেশখনৰ মাত্ৰ প্ৰায় ২২% লোকহে সাক্ষৰ আছিল। পৰৱৰ্তী দশকটোত মেক্সিক’ দেশখনত দীৰ্ঘদিনীয়া যুদ্ধ আৰু সংঘৰ্ষৰ পৰিস্থিতিয়ে বিৰাজ কৰিছিল। ১৯২০ চনত আলভাৰো অব্ৰেগনে ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত হৈ সংস্কাৰৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল। সংস্কাৰৰ কৰ্মসূচীৰ মাজত আছিল গ্ৰাম্য বিদ্যালয় স্থাপন, শিক্ষক প্ৰশিক্ষণ, ৰাজহুৱা পুথিভঁৰাল আৰু কলা বিদ্যালয় নিৰ্মাণ, প্ৰচাৰপত্ৰ প্ৰকাশ, প্ৰাৰম্ভিক পাঠকৰ বাবে কিতাপ প্ৰকাশ আদি গণ সাংস্কৃতিক কাৰ্য্যকলাপ। ১৯২১ চনত জোচে ভাস্কনচেলছক ৰাজহুৱা শিক্ষাৰ প্ৰথম সচিব হিচাপে নিযুক্তি দিয়া হয় আৰু মেক্সিক’ৰ সংস্কৃতিক গণতান্ত্ৰিক কৰাৰ নিমিত্তে অব্ৰেগনে তেওঁৰ ওপৰত দায়িত্ব নস্ত্য কৰে। এই লক্ষ্যত উপনীত হ’বলৈ মেক্সিক’য়ে হাজাৰ হাজাৰ গ্ৰাম্য বিদ্যালয় স্থাপন আৰু শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠান নিৰ্মাণ কৰিছিল আৰু গ্ৰাম্য শিক্ষকৰ মজুৰি দৈনিক এক পেছ’ৰ পৰা তিনি পেছ’লৈ বৃদ্ধি কৰিছিল। মূল প্ৰশিক্ষণ প্ৰতিষ্ঠানটো চলাবলৈ ভাস্কনচেলোছে মেক্সিক’ৰ কমিউনিষ্ট পাৰ্টিৰ সদস্য এলেনা টৰেছ কুৱেলাৰক দ্বায়িত্ব দিছিল, তেওঁ এই শিক্ষা আৰু সাংস্কৃতিক অভিযানসমূহ সমগ্ৰ দেশখনতে সম্প্ৰসাৰণ কৰিছিল আৰু এক দশকৰ ভিতৰত চাৰি হাজাৰতকৈ অধিক শিক্ষকক প্ৰশিক্ষণ দিছিল। ১৯২১ চনত টৰেছে স্কুলৰ বিনামূলীয়া ব্ৰেকফাষ্ট কাৰ্যসূচীও আৰম্ভ কৰিছিল, যাৰ ফলত লাখ লাখ ছাত্ৰ-ছাত্ৰীক খাদ্য যোগান ধৰাটো নিশ্চিত কৰা হৈছিল।

ভাস্কনচেলছৰ নেতৃত্বত জনশিক্ষা মন্ত্ৰালয়ে (Secretaría de Educación Pública SEP) মেক্সিক’ৰ গ্ৰাম্য অঞ্চলত মানসম্পন্ন ৰাজহুৱা পুথিভঁৰালৰ বিকাশৰ বাবে জোৰ দিছিল। সেই উদ্দেশ্যে এছ ই পিয়ে কেৱল পুথিভঁৰাল নিৰ্মাণৰ বাবে ধনৰ যোগান ধৰাই নহয়; ইয়াৰ উপৰিও কিতাপ(গ্ৰাম্য পুথিভঁৰালৰ বাবে পঞ্চাশখন আৰু নগৰৰ কেন্দ্ৰৰ বাবে এক হাজাৰ খন) ছপা আৰু বিতৰণ কৰিছিল যিবোৰে কৃষকসকলৰ সাংস্কৃতিক জীৱন সমৃদ্ধ কৰাৰ লগতে তেওঁলোকক ব্যৱহাৰিক আৰু উৎপাদনমুখী জ্ঞান প্ৰদান কৰিছিল। এই কিতাপবোৰৰ মাজত গ্ৰীক মহাকাব্যৰ পৰা আৰম্ভ কৰি মেক্সিক’ৰ ইতিহাস, ঘৰুৱা ব্যৱস্থাপনা, কৃষি বিজ্ঞানৰ বিষয়ে লিখা কিতাপলৈকে সকলো আছিল। এছ ই পিয়ে শিক্ষকৰ আলোচনী এল মেষ্ট্ৰ’ (দ্য টিচাৰ)ও প্ৰকাশ কৰিছিল, য’ত পাঠদানৰ শৈলী, শিক্ষাতত্বৰ নতুন ধাৰণা আৰু গ্ৰন্থ সমালোচনা আদি বিভিন্ন বিষয় সাঙোৰা হৈছিল। ৰাষ্ট্ৰৰ এই পদক্ষেপৰ সমান্তৰালভাৱে ১৯৩৪ চনত সমাজবিজ্ঞানী আৰু অৰ্থনীতিবিদ ডেনিয়েল ক’চিঅ’ ভিলেগাছে তেতিয়াৰ নেচনেল স্কুল অৱ ইকনমিক্স (বৰ্তমান মেক্সিকোৰ নেচনেল অটোন’মাছ ইউনিভাৰ্চিটিৰ স্কুল অৱ ইকনমিক্স)ত অৰ্থনৈতিক সংস্কৃতি পুঁজি গঠন কৰে, ই প্ৰথম অৱস্থাত অৰ্থনীতিৰ ছাত্ৰ-ছাত্ৰীসকলক কিতাপ প্ৰদানৰ আৰু পিছলৈ


সমগ্ৰ লেটিন আমেৰিকাত ভিন্নধৰ্মীৰ কিতাপ বিতৰণৰ এক অগ্ৰনী বাহন হৈ পৰিল।

মেক্সিক' বিপ্লৱ প্ৰতিষ্ঠানিক হৈ পৰাৰ পিছত ইয়াৰ শ্ৰেণী চৰিত্ৰ সলনি হ'বলৈ ধৰাৰ লগে লগে সাংস্কৃতিক গণতান্ত্ৰিকীকৰণৰ ওপৰত গুৰুত্ব দিয়াৰ প্ৰক্ৰিয়াটো কিছু পৰিমাণে ক্ষয়িষ্ণু হৈ আহিল। নিশ্চিতভাৱে সাক্ষৰতাৰ হাৰ বৃদ্ধি পালে, কিন্তু ই প্ৰায় ৭০% ত স্থবিৰ হৈ পৰিল আৰু ৰাষ্ট্ৰীয় শিক্ষা আৰু ৰাজহুৱা পুথিভঁৰাল ব্যৱস্থাৰ যোগেদী সাক্ষৰতাৰ মান উন্নীতকৰণ কৰা প্ৰক্ৰিয়াইয়ো স্থবিৰতা লাভ কৰিলে। ১৯৮২ চনত মেক্সিক'ত ঋণ সংকট শিখৰত উপনীত হোৱাৰ ফলত আৰ্থিক হেঁচাত এই প্ৰতিষ্ঠানসমূহৰ প্ৰতি ৰাষ্ট্ৰৰ দায়বদ্ধতা হ্ৰাস পাবলৈ ধৰে আৰু ইয়াৰ ফলস্বৰূপে বিদ্যালয় আৰু পুথিভঁৰাল দুয়োটাৰে পুঁজিৰ পৰিমাণ হ্ৰাস পাবলৈ ধৰে। মেক্সিক'ৰ নীতি নিৰ্ধাৰকসকলে নব্য উদাৰতাবাদী নীতিৰ মাজত আৱদ্ধ হৈ পৰাৰ লগে লগে সমাজৰ কিছু বিপৰীত সোঁতে সাক্ষৰতাৰ ওপৰত ৰাষ্ট্ৰৰ গুৰুত্ব কমি অহাৰ বিৰুদ্ধে যুঁজিছিল। ১৯৮৬ চনত মেক্সিক'ৰ পুথিভঁৰালসমূহৰ সাধাৰণ সঞ্চাল-কালয়ে লাইব্ৰেৰীত মোৰ গ্ৰীষ্মকালীন ছুটী (Mis Vacaciones en la Biblioteca) নামৰ এক কাৰ্যসূচী আৰম্ভ কৰে যাৰ জৰিয়তে এক নিযুত শিশু আৰু ছাত্ৰই ৰাজহুৱা পুথিভঁৰালসমূহ ভ্ৰমণ কৰি বিভিন্ন সামাজিক কাৰ্য্যকলাপত অংশগ্ৰহণ কৰিছিল। মেক্সিক'ৰ পুথিভঁৰাল ব্যৱস্থাই এই কাৰ্যসূচীৰ ভিত্তিত সাংস্কৃতিক, সংগীত আৰু গল্প-সাধু কোৱা আদি বিভিন্ন উৎসৱ অনুষ্ঠিত কৰিছিল। ১৯৯৫ চনত ১৯৯৩ চনৰ পাঠ্যক্ৰমৰ উন্নীতকৰণৰ পিছত শিক্ষা সংস্কাৰৰ তত্বাৱধানত এছ ই পিয়ে পঢ়াৰ বাবে ৰাষ্ট্ৰীয় কাৰ্যসূচী (Programa Nacional para la Lectura) গঠন কৰে, যাৰ নাম ২০০০ চনত 'পঢ়ুৱৈৰ দেশৰ দিশলৈ' (Hacia un país de lectores) ৰখা হয়।এই কাৰ্যসূচীৰ এক মূল দিশ আছিল সমগ্ৰ দেশখনৰে বিদ্যালয়ৰ পুথিভঁৰালস-মূহৰ বাবে বছৰি পয়সত্তৰখন কিতাপৰ নিৰ্বাচন, প্ৰকাশ আৰু বিতৰণ।

২০০৮ চনত মেক্সিকোৰ নেচনেল প্ৰগ্ৰেম ফৰ দ্য প্ৰমোচন অৱ ৰিডিং এণ্ড দ্য বুক (Programa de Fomento para el Libro y la Lectura)-এ সামাজিক বৈষম্য হ্ৰাস আৰু জ্ঞান বৃদ্ধিৰ বাবে সাক্ষৰতাক আহিলা হিচাপে ব্যৱহাৰ কৰিবলৈ মেক্সিক' ৰিডছ্ (মেক্সিকো লি) নামৰ প্ৰকল্প আৰম্ভ কৰে। এই কাৰ্যসূচীৰ ঘাইশি-পাডাল আছিল মেক্সিক'ৰ নিজৰ সাক্ষৰতা অভিযানৰ ইতিহাস আৰু সমগ্ৰ লেটিন আমেৰিকাত অতিশয় প্ৰভাৱশালী ২০০১ চনত সৃষ্টি হোৱা কিউবাৰ বিপ্লৱৰ Yo, sí puedo (হয়, মই পাৰিম) প্ৰাপ্তবয়স্ক সাক্ষৰতা পাঠ্যক্ৰম (কিউবাৰ ১৯৬১ চনৰ সাক্ষৰতা কাৰ্যসূচীৰ পৰা আধাৰিত)। পিছৰ বছৰ অৰ্থাৎ ২০০৯ চনত অৰ্থনৈতিক সংস্কৃতি পুঁজিৰ সঞ্চালক (ফণ্ডো ডি কালচাৰ ইকন'মিকা) পাকো ইগনাচিও টাইবো II আৰু লেখিকা পালোমা চাইজ টেজেৰ'ই 'ব্ৰিগাডা পেৰা লিৰ এন লিবাৰটাড' গঠন কৰি জনসাধাৰণে বিনামূলীয়াকৈ ডাউনলোড কৰিব পৰা কিতাপ প্ৰকাশ কৰা আৰু গ্ৰন্থমেলা, সাংস্কৃতিক উৎসৱৰ পৰা সংগ্ৰহ কৰিব পৰা ব্যৱস্থাৰ জন্ম দিয়ে। এই ব্ৰিগেডৰ মূলতে আছে পঢ়াৰ আনন্দ। পালোমা চাইজ টেজেৰ'ৰে এই

সম্পৰ্কে কৈছে:

“পঢ়াৰ ফলত আমাৰ মনত সচৰাচৰ নেখেলোৱা কিছুমান প্ৰত্যাশা আৰু জ্ঞানে ঠাই লয়; ই আমাক সমালোচনাত্মক কৰি তোলে আৰু দৈনন্দিন জীৱনত আত্মৰক্ষাৰ বাবে আমাক অস্ত্ৰৰ যোগান ধৰে; ই আমাক অধিক সুদৰ্শন বা ধনীও কৰি তুলিব নোৱাৰে; যিবোৰ কিতাপ পঢ়িলে এনেকুৱা কিবা হ’ব বুলি কোৱা হয় সেই কিতাপবোৰ বিশুদ্ধ মিছাৰ বাহিৰে আন একো নহয়, তেনেকুৱাও নহয় যে পঢ়াই আমাক অধিক বুদ্ধিমান কৰি তুলিব; কিন্তু ই আমাক আমি কি কৰিব বিচাৰো বা নিবিচাৰো তাক নিৰ্ণয় কৰিবলৈ আমাৰ মনত স্পষ্টতাৰ জন্ম দিয়ে।”




অথমান ঘালমি (মৰক্ক/ৱৰ্কাৰ্ছ ডেমক্রেটিক ৱে)ৰ শিল্পকৰ্ম।

# পঢ়া শুনাই চীনাসকলক ন্যায়নিষ্ঠতাৰে থিয় হৈ থকাত সহায় কৰিছে

১৯১১ চনত কিং বংশক ওফৰাই পেলোৱাৰ আগতে চীনৰ জনসংখ্যাৰ অধিকাংশই –বিশেষকৈ মহিলাসকল – নিৰক্ষৰ আছিল, শতিকা পৰিৱৰ্তনৰ সময়ত আনুমানিক সাক্ষৰতাৰ হাৰ আছিল ১০–১৫%। মূলতঃ ১৯৪৯ চনৰ চীন বিপ্লৱলৈকে চীনৰ সমাজখনত সংঘৰ্ষমুলক পৰিস্থিতিয়ে বিৰাজ কৰাৰ বাবে তাৰ পিছৰ বছৰবোৰতো সাক্ষৰতাৰ হাৰ বিশেষ বৃদ্ধি হোৱা নাছিল। ১৯৫০ চনতহে সাক্ষৰতাৰ হাৰ নাটকীয়ভাৱে বৃদ্ধি হ'বলৈ ধৰিলে, ১৯৫৯ চনলৈকে ৫৭% পালেগৈ। ২০২১ চনলৈকে চীনত প্ৰাপ্তবয়স্ক সাক্ষৰতাৰ হাৰ ৯৭% লৈ বৃদ্ধি পালে, যিটো বিশ্বৰ ভিতৰতে এটা সৰ্বাধিক হাৰ। যোৱা সাতটা দশকৰ ভিতৰত চীনে যি বৃহৎ অগ্ৰগতি লাভ কৰিছে, তাক হয়টো মানৱ ইতিহাসৰ 'একক সৰ্ববৃহৎ শৈক্ষিক প্ৰচেষ্টা' বুলিব লাগিব।

এই অগ্ৰগতি আছিল ১৯৪৯ চনৰ বিপ্লৱৰ পিছত চীনৰ কমিউনিষ্ট পাৰ্টিয়ে (CPC) গ্ৰহণ কৰা পদক্ষেপৰ ফল। এই পদক্ষেপসমূহ ক্ৰমে দক্ষিণ-পূব আৰু উত্তৰ-মধ্য চীনত জিয়াংচি ছোভিয়েট (১৯৩১–১৯৩৪) আৰু য়ুনান ছোভিয়েট (১৯৩৬–১৯৪৮)ৰ দৰে পৰীক্ষাৰ আধাৰত গ্ৰহণ কৰা হৈছিল, যিয়ে গ্ৰাম্য আৰু প্ৰাপ্তবয়স্ক সাক্ষৰতাক লক্ষ্য কৰি বিভিন্ন ধৰণৰ সাক্ষৰতা অভিযান ৰূপায়ণ কৰিছিল। দুয়োটাই ছোভিয়েট ইউনিয়নৰ সাক্ষৰতা প্ৰচেষ্টাৰ ওপৰত নিৰ্মাণ কৰা হৈছিল, যেনে নিৰক্ষৰতা নিৰ্মূলকৰণ অভিযান Likbez, সমগ্ৰ ছোভিয়েট ৰাছিয়াই প্ৰাপ্তবয়স্ক সাক্ষৰতা কাৰ্যসূচীৰ জ্ঞান পদ্ধতিগতভাৱে ৰূপায়ন কৰিবলৈ আৰম্ভ কৰাৰ লগে লগে উল্লেখযোগ্য সাফল্য কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল।* ১৯২১ চনত ভি আই লেনিনে অৰ্থনৈতিক নীতি বিষয়ক এখন সন্মিলনত এটা কথা কৈছিল যে নিৰক্ষৰতা থাকিলে কোনো উন্নতি সম্ভৱ নহয়। লেনিনে কৈছিল, 'সাক্ষৰতা অবিহনে সমাজত ৰাজনীতি হ'ব নোৱাৰে; আৰু ইয়াৰ অবিহনে সমাজত উৰাবাতৰি, গুজৱ, সাধুকথা আৰু পক্ষপাতিত্ব আদি হে তিষ্ঠি থাকিব, কিন্তু ৰাজনীতি তিষ্ঠিব নোৱাৰে।'

যদিও নতুন চীনৰ সাক্ষৰতা অভিযানক গঢ় দিয়া সমগ্ৰ কাৰ্য্যকলাপৰ সাৰাংশ দিয়াটো অসম্ভৱ, কিন্তু ইয়াৰে তিনিটাৰ ওপৰত কিছু গুৰুত্ব দিয়াটো গুৰুত্বপূৰ্ণ:

1. চীনা নিৰক্ষৰতাৰ শব্দটো হৈছে 文盲 বা 'টেক্সট ব্লাইণ্ড', যিয়ে সাক্ষৰ বুলি গণ্য কৰিবলৈ চীনা আখৰবোৰ জনাটোৰ ঐতিহাসিক কেন্দ্ৰীয়তাৰ ইংগিত দিয়ে। তথাপিও চীনা ভাষা গঠন কৰা এক লাখতকৈও অধিক আখৰে সমাজত

সম্পূৰ্ণ সাক্ষৰতা লাভৰ দিশত বাধাৰ সৃষ্টি কৰিছিল। ১৯৫৫ চনত বিপ্লৱী চৰকাৰে চীনা লিখিত ভাষা সংস্কাৰ সমিতি গঠন কৰি সাক্ষৰতাক আগুৱাই নিয়াৰ বাবে এক পৰিচালনাযোগ্য উপায় সৃষ্টি কৰে, যেনে গ্ৰাম্য বাসিন্দাসকলৰ বাবে ১৫০০ আৰু নগৰৰ বাসিন্দা আৰু গ্ৰাম্য নেতাৰ বাবে ২০০০ বৰ্ণৰ তালিকা সাক্ষৰতাৰ নূন্যতম প্ৰয়োজনীয়তা হিচাপে ঘোষণা কৰে। ১৯৫৮ চনৰ পৰা চীনৰ প্ৰাথমিক বিদ্যালয়সমূহে পিনয়িন (চীনা আখৰৰ মানক ৰোমানাইজেচন) আৰু সৰল চীনা আখৰ ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰে।

*যদিও এই দলিলগুচ্ছত ইয়াৰ দীঘলীয়া আলোচনা কৰা হোৱা নাই, সোভিয়েট ইউনিয়নে বিশ্বৰ অন্যান্য অংশত সাক্ষৰতা অভিযানৰ বাবে আদৰ্শনীয় আছিল। সোভিয়েট সাক্ষৰতাৰ পৰিসংখ্যাই সম্পূৰ্ণ কাহিনী কোৱা নাই, যিটো হৈছে কেনেকৈ সোভিয়েটসকলে অশিক্ষাৰ অভিশাপ ইমান দ্ৰুতগতিত পৰাস্ত কৰিবলৈ সক্ষম হৈছিল। উদাহৰণস্বৰূপে, সোভিয়েটসকলে পূৰ্বৰ জাৰ সাম্ৰাজ্যৰ গ্ৰাম্য অঞ্চলত পঢ়া ঘৰ আৰু স্তেপত 'ৰেড য়ুৰ্ট' (তম্বু) স্থাপন কৰিছিল, য'ত তেওঁলোকে চিকিৎসা একক আৰু সাক্ষৰতা দল স্থাপন কৰিছিল। এই কাহিনী সঠিকভাৱে কোৱা হোৱা নাই।

2. মেক্সিকো আৰু ৰাছিয়াৰ দৰেই চীন বিপ্লৱেও গ্ৰাম্য আৰু প্ৰাপ্তবয়স্ক উভয়ৰে সাক্ষৰতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল: যদি অভিভাৱকসকলক পঢ়া-লিখাৰ গুৰুত্বৰ প্ৰতি সচেতন কৰা নহয়, তেন্তে তেওঁলোকৰ সন্তানৰ মনটো পঢ়া-লিখাৰ প্ৰতি আনন্দ জাগি নুঠে। চীনৰ নিৰক্ষৰতা বিৰোধী অভিযানৰ অন্যতম বিশিষ্ট নেতা লিন হাণ্ডাই ১৯৫৫ চনত কৈছিল যে কেৱল আখৰ চিনাটোৱেই সাক্ষৰতা বুলি সংজ্ঞা দিব নালাগে; বৰঞ্চ কৃষকসকলক তেওঁলোকৰ জীৱন সমৃদ্ধ কৰিবলৈ আৰু তেওঁলোকৰ উৎপাদনশীলতা বৃদ্ধি কৰিবলৈ সক্ষম কৰাটোহে সাক্ষৰতাৰ অভিযানৰ শেষ লক্ষ্য হ'ব লাগে। পিছৰ বছৰত জাৰি হোৱা নিৰক্ষৰতা বিৰোধী এক আদেশ অনুসৰি গ্ৰাম্য প্ৰাপ্তবয়স্ক সাক্ষৰতা 'ব্যৱহাৰিকক একত্ৰিত কৰা' (লিয়ানচি শ্বিজি) আৰু 'প্ৰয়োগ কৰাৰ উদ্দেশ্যে শিক্ষণ' (xue yi zhi yong) নীতিৰ ওপৰত ভিত্তি কৰি হ'ব লাগে।

3. শেষত চীন বিপ্লৱে ইয়াৰ সাক্ষৰতা কাৰ্যসূচীত ৰাজহুৱা পুথিভঁৰালৰ ভূমিকাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। ১৯৪৯ চনত চীনত মাত্ৰ ৫৫টা ৰাজহুৱা পুথিভঁৰাল আছিল। গণতান্ত্ৰীকৰণৰ ওপৰত গুৰুত্ব দিয়াৰ অংশ হিচাপে নতুন চীনে কৃষকৰ বাবে গ্ৰাম্য অঞ্চলত পুথিভঁৰাল আৰু শ্ৰমিকৰ বাবে কাৰখানা পুথিভঁৰাল নিৰ্মাণ কৰিছিল। ১৯৫৬ চনলৈকে চীনে ১৮২,৯৬০টা গ্ৰাম্য পঠন কক্ষ স্থাপন কৰিছিল য'ত বিভিন্ন ধৰণৰ সামগ্ৰী ৰখা হৈছিল।

এনে পদক্ষেপৰ ফলত চীনা সমাজখনে নিৰক্ষৰতা দূৰ কৰিবলৈ সক্ষম হৈছিল। আজি চীনে নতুন প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে, যেনে কম বয়সীয়া ল'ৰা-ছোৱালীৰ পৰ্দা আৰু ভিডিঅ' গেমৰ প্ৰতি থকা নিচাক মোকাবিলা কৰাটো। ২০২১ চনত


চীনৰ ৰাষ্ট্ৰপতি ছি জিনপিঙে ঘোষণা কৰিছিল যে চৰকাৰে উঠি অহা যুৱক-যুৱতী-সকলৰ মাজত অনলাইন ভিডিঅ' গেমৰ ব্যৱহাৰ প্ৰতি সপ্তাহত তিনি ঘণ্টালৈকে সীমিত কৰিব, যিটো ভিডিঅ' গেম উদ্যোগ আৰু অভিভাৱক উভয়ে নিয়ন্ত্ৰণ কৰিব। ২০২২ চনত ৰাষ্ট্ৰপতি ছিয়ে পঢ়াৰ ওপৰত দেশৰ প্ৰথমখন ৰাষ্ট্ৰীয় সন্মিলন উদ্বোধন কৰি ভাষণ প্ৰসংগত পঢ়াৰ গুৰুত্বৰ ওপৰত আৰু ইয়াৰ যোগেদী ভিন্নধৰ্মী প্ৰজ্ঞাৰ সাধনা আৰু মানৱীয় গুণৰ বিকাশৰ ওপৰত আলোকপাত কৰি কৈছিলঃ

> "প্ৰাচীন কালৰে পৰা চীনা জনসাধাৰণে পঢ়াৰ পোষকতা কৰি আহিছিল আৰু বস্তুৰ স্বৰূপ অধ্যয়ন কৰি জ্ঞান আহৰণ আৰু আন্তৰিকতাৰে চিন্তা কৰি নিজৰ মনৰ শুধৰণিৰ ওপৰত গুৰুত্ব আৰোপ কৰি আহিছে। পঢ়াই চীনা জনসাধাৰণক পৰম্পৰাগত অধ্যৱসায়ৰ মনোভাৱক আগুৱাই নিবলৈ আৰু তেওঁলোকৰ আত্মবিশ্বাস আৰু আত্মনিৰ্ভৰশীলতাৰ চৰিত্ৰ গঢ়ি তোলাত সহায় কৰি আহিছে।
>
> দলৰ সদস্য আৰু বিষয়াসকলক পঢ়া-শুনাত আগভাগ ল'বলৈ, গুণ আৰু আদৰ্শক লালন-পালন কৰিবলৈ, নিজৰ সামৰ্থ্য উন্নত কৰিবলৈ আহ্বান জনাইছোঁ। আশাকৰোঁ আমাৰ সকলো ল'ৰা-ছোৱালীয়ে পঢ়াৰ অভ্যাস গঢ়ি তুলিব, পঢ়ি ভাল পাব, আৰু সুস্থভাৱে ডাঙৰ হ'ব। আমাৰ সকলো মানুহ পঢ়াত নিয়োজিত হৈ সকলোৱে পঢ়া ভাল পোৱা, পঢ়িবলৈ ভাল কিতাপ থকা, পঢ়াৰ পৰা কেনেকৈ লাভ কৰিব লাগে সেই পৰিৱেশত অৰিহণা যোগোৱাটো কামনা কৰিলোঁ।"

সেই বছৰতে চাংহাই পুথিভঁৰাল (পুব শাখা) জনসাধাৰণৰ বাবে মুকলি কৰা হয়। পুডং জিলাৰ চেঞ্চুৰী পাৰ্কৰ পৰা ৰাস্তাৰ ঠিক সিপাৰে প্ৰতিদিনে পুথিভঁৰালটোত কাৰ্যকলাপৰ গুঞ্জন উঠে, কিন্তু বিশেষকৈ দেওবাৰে সন্ধিয়া। গোলকীয় দক্ষিণৰ বহু দৰিদ্ৰ ৰাষ্ট্ৰত এই সময়ত শিশুৱে ৰাজপথত খেলি থকাটো এটা সাধাৰণ কথা। গোলকীয় উত্তৰৰ ৰাষ্ট্ৰসমূহত হয়তো ল'ৰা-ছোৱালীবোৰ ঘৰৰ ভিতৰতে থাকিব, নতুবা চকু দুটা পৰ্দাৰ পিক্সেলত আঠাৰ দৰে লগাই থ'ব। কিন্তু চাংহাইত ল'ৰা-ছোৱালীয়ে কিতাপৰ টোপোলা সংগ্ৰহ কৰে, কেতিয়াবা পিতৃ-মাতৃ বা ককা-আইতাকৰ কোলাত বহি উচ্ছলতাৰে কিতাপৰ এটাৰ পিছত আনটো পৃষ্ঠা লুটিয়াই থাকে।

পুথিভঁৰালটোৰ এটা সৰু কিন্তু গুৰুত্বপূৰ্ণ অংশ মাৰ্ক্সবাদী সাহিত্যৰ বাবে উৎসৰ্গিত কৰা হৈছে। শ্বেলফবোৰ কালক্ৰম অনুসৰি সজোৱা হৈছে: কাৰ্ল মাৰ্ক্স আৰু ফ্ৰেড্ৰিখ এংগেলছ, মাও জেডং, ডেং জিয়াওপিং, ছি জিনপিং ইত্যাদি। পুথিভঁৰালটোৰ আটাইতকৈ স্মৰণীয় অংশটো হ'ল শিশুৰ অংশ, শাৰী শাৰীকৈ ৰঙীন শিশুৰ কিতাপেৰে

ভৰি আছে, চোফা, টেবুল, বুথ আদিয়ে আপোনাক বহি পঢ়িবলৈ আমন্ত্ৰণ কৰি আছে। এইখিনিতে মানুহে – প্ৰাপ্তবয়স্ক আৰু শিশুৱে একেলগে– নিজৰ পঢ়াৰ অধিকাৰ সাব্যস্ত কৰিবলৈ আহে (১৯৪৮ চনৰ মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাৰ ২৬ নং অনুচ্ছেদত উল্লেখ কৰা হৈছে)। এই পৰম্পৰাত পঢ়াটো এটা নিৰ্ণায়কভাৱে সামাজিক কাৰ্য্যকলাপ যিয়ে বিশেষকৈ যুৱক-যুৱতীসকলৰ মাজত সহানুভূতি আৰু জ্ঞানমূলক ক্ষমতা বিকাশ কৰাত সহায় কৰে আৰু মানুহক তেওঁলোকৰ ইতিহাস, সংস্কৃতি, ভাষা আৰু পূৰ্বপুৰুষৰ সৈতে সংযোগ কৰে।




জুনাইনা মহম্মদ (ভাৰত/য়ং ছোচিয়েলিষ্ট আৰ্টিষ্টছ)ৰ শিল্পকৰ্ম।

# কেৰালাৰ (ভাৰত) কিতাপৰ সুবাস

প্ৰায় ৩ কোটি ৩৪ লাখ জনসংখ্যাৰ দক্ষিণ-পশ্চিম ভাৰতৰ এখন ৰাজ্য কেৰালাৰ চৰকাৰ বাওঁ গণতান্ত্ৰিক মৰ্চাৰ দ্বাৰা পৰিচালিত, যাৰ মূল দল হৈছে ভাৰতীয় কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সবাদী) বা চিপিআই(এম)।এই ৰাজ্যখনৰ যিকোনো নগৰ বা চহৰত যদি পদাৰ্পন কৰা যায় তেন্তে নিশ্চিতভাৱে ধাৰলৈ ল'বলৈ কিতাপ বিচাৰি বা টেবুলত বহি পঢ়ি থকা মানুহেৰে ভৰি থকা ৰাজহুৱা পুথিভঁৰাল দেখা পোৱা যাব। কমিউনিষ্ট আন্দোলনৰ সক্ৰিয় উপস্থিতিৰ বাবে পঢ়াৰ এক চিৰস্থায়ী পৰম্পৰা থকা কেৰালাত ন হাজাৰৰো অধিক ৰাজহুৱা পুথিভঁৰাল আছে।

১৯২০ চনত ব্ৰিটিছ সাম্ৰাজ্যবাদক পৰাস্ত কৰাৰ আন্দোলনৰ সময়ত ঔপনিৱেশিক বিৰোধী ভাৰতীয় জাতীয়তাবাদে সাক্ষৰতাৰ গুৰুত্বক নিজৰ এজেণ্ডাত স্থান দিছিল। সাক্ষৰতা অভিযানৰ অন্যতম আহিলা আছিল ৰাজহুৱা পুথিভঁৰাল, যিটো ইতিমধ্যে ভাৰতৰ কিছু উদাৰ ৰজাই শাসন কৰা ৰাজ্যসমূহত (যেনেঃ বৰোদা) উন্নয়নৰ কাৰ্যসূচীৰ এক গুৰুত্বপূৰ্ণ অংশ হৈ পৰিছিল। ভাৰতৰ পুথিভঁৰাল আন্দোলনৰ কাহিনীটোৰ এক আমোদজনক কথাটো হ'ল যে ইয়াৰ বহু অগ্ৰগামী ব্যক্তি পৰস্পৰ বন্ধু আছিল আৰু তেওঁলোকে নিজৰ কিতাপ আৰু বাতৰি কাকত একত্ৰিত কৰি নিজৰ গাঁও আৰু চহৰত সৰু সৰু পুথিভঁৰাল আৰম্ভ কৰিছিল। উদাহৰণস্বৰূপে, কেৰেলাৰ পুথিভঁৰাল আন্দোলনৰ পিতৃ হিচাপে পৰিচিত পি.এন পানিকাৰে স্মৰণ কৰিছিল, কেনেকৈ তেওঁ এখন বাতৰি কাকতৰ গ্ৰাহক হৈছিল, যিটো সেই সময়ত কেৱল ধনী লোকৰ বাবেহে সম্ভৱ আছিল, আঠ-দহ জন মান লোক তেওঁৰ ঘৰত গোট খাই পানিকাৰক বাতৰি কাকতখন উচ্চস্বৰে পঢ়িবলৈ কৈছিল। 'বাতৰি কাকতখন নথকা দিনবোৰত মই তেওঁলোকক মহান ব্যক্তিৰ জীৱনী পঢ়ি শুনাইছিলোঁ', তেওঁ কৈছিল; 'মোৰ এজন বন্ধুৱে আন দুখন দৈনিক কাকত লৈছিল, আৰু তেওঁৰ হাতত কিতাপৰ কিছু সৰু সংগ্ৰহ আছিল। এই কিতাপ আৰু বাতৰি কাকতবোৰ পুথিভঁৰালৰ উদ্দেশ্যে ভাড়াহীন ভাৱে লোৱা এটা সৰু কোঠাত একত্ৰিত কৰি আমি এটা সৰু পুথিভঁৰাল আৰম্ভ কৰিলোঁ।' এনেধৰণৰ হাজাৰ বিজাৰ কাহিনী আছে। এই পুথিভঁৰালবোৰৰ বহুতেই পিছলৈ ৰাজ্যিক পুথিভঁৰাল ব্যৱস্থাৰ অংশ হৈ পৰে, পৰৱৰ্তী কালত চৰকাৰী অনুদান ব্যৱস্থাৰ জৰিয়তে এইবোৰ বহুখিনি লাভৱান হয়। এনে সৰু পুথিভঁৰালসমূহে কেৰালাত পুথিভঁৰাল আন্দোলনৰ বথা মাৰি আহিছে, য'ত পুথিভঁৰাল আন্দোলন কেন্দ্ৰীভূত হৈ আছে আৰু আৰম্ভ হৈছিল, আৰু ভাৰতৰ অন্যান্য অঞ্চলত প্ৰসাৰ হৈছিল।

উদাহৰণস্বৰূপে, ২৯ হাজাৰতকৈ অধিক জনসংখ্যাৰ মায়িল গাওঁ পঞ্চায়ত কেৰালাৰ

সৰ্বাধিক পুথিভঁৰাল থকা জিলা কান্নুৰৰ ৯৩খন স্থানীয় চৰকাৰৰ ভিতৰত অন্যতম। এই পঞ্চায়তত কেৰালা ৰাজ্যিক পুথিভঁৰাল পৰিষদৰ সৈতে যুক্ত মুঠ ৩৪ টা পুথিভঁৰাল আছে। অৰ্থাৎ প্ৰতি বৰ্গ কিলোমিটাৰত প্ৰায় এটাকৈ পুথিভঁৰাল আছে, প্ৰতিটো পুথিভঁৰালত প্ৰায় ৮৭২ জন লোকে পঢ়াৰ ব্যৱস্থা আছে। এয়া পৃথিৱীৰ যিকোনো অঞ্চলৰ বাবেই পুথিভঁৰালৰ এক অসাধাৰণ ঘনত্ব বুলি ক'ব পাৰি। এই পুথিভঁৰালসমূহ ৰাজ্য চৰকাৰৰ পুঁজিৰ দ্বাৰা সু-সজ্জিত, এইবোৰ কম্পিউটাৰ আৰু এক ঐক্যবদ্ধ কিতাপৰ তালিকাৰে সজ্জিত, আৰু পুথিভঁৰালসমূহত নিয়োজিত হৈ থকা সু-প্ৰশিক্ষিত কৰ্মীসকল এই পুথিভঁৰালবোৰত উপলব্ধ সম্পদৰ ব্যৱহাৰ সমগ্ৰ স্থানীয় মানুহৰ মাজত কৰাৰ বাবে দায়বদ্ধ।

এই পুথিভঁৰালবোৰৰ প্ৰতিটোৰে এটা পূৰ্বকাহিনী আছে, আৰু ইয়াৰে বহুতৰে নাম জাতীয়তাবাদী বা কমিউনিষ্ট নেতাৰ দৰে সামাজিক কৰ্মীৰ নামেৰে ৰখা হৈছে। কান্নুৰ জিলাত থকা ইয়াৰে কেইটামান উল্লেখ কৰা হ'ল:

- ভেলাম ৰাজহুৱা পঠন হল(ভেলাম পটুজানা বায়নাশালা), মায়িল। ১৯৩৪ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ সদস্য ঈশ্বৰন নাম্বুথিৰীয়ে গাঁৱৰ মানুহৰ মাজত হিন্দী ভাষাৰ প্ৰচাৰৰ বাবে মায়িল পঞ্চায়ত (গাঁও পৰিষদ)ত উপস্থিত হয়। তেওঁ নিজৰ স্কুলৰ বাবে এখন সৰু চালি নিৰ্মাণ কৰিছিল, যিটো অৱশেষত বৰ্তমান ১৮,০০০ খন কিতাপ থকা এটা পুথিভঁৰাললৈ পৰিণত হ'ল।

- পৰাল ৰাজহুৱা পঠন হল (পৰাল পটুজানা বায়নাশালা), থালাছেৰী। ১৯৩৪ চনত কৌমুদী নামৰ এগৰাকী যোল্ল বছৰীয়া ছোৱালীয়ে ব্ৰিটিছ সাম্ৰাজ্যবাদী শাসনৰ বিৰুদ্ধে স্বাধীনতা আন্দোলনলৈ অৱদান হিচাপে তেওঁৰ সোণৰ গহনা মহাত্মা গান্ধীক দান কৰে। সোণৰ পৰা পোৱা ধনেৰে এই পুথিভঁৰালটো নিৰ্মাণ কৰা হৈছিল, য'ত এতিয়া জিলাখনৰ ইতিহাসৰ আৰ্কাইভ অন্তৰ্ভুক্ত কৰা হৈছে।

- এছ জে এম পঠন হল আৰু ৰাষ্ট্ৰীয় লাইব্ৰেৰী (এছ জে এম বায়নাশালা আৰু দেশীয়া গ্ৰন্থালায়ম), কণ্ডক্কাই। ঊনবিংশ শতিকাৰ কেৰালাৰ সমাজ সংস্কাৰ আন্দোলনৰ সময়ত শ্ৰী জাথাবেদ গুৰু নামৰ এজন ব্যক্তিয়ে কণ্ডক্কাইলৈ গৈ তাত থকা গাঁওবাসীক জাতিগত বৈষম্যৰ সৈতে যুঁজা আৰু এইবোৰৰ উৰ্দ্ধত উঠাৰ প্ৰয়োজনীয়তাৰ বিষয়ে শিকাইছিল। এই কামৰ অংশ হিচাপে গুৰুৱে এটা সৰু পুথিভঁৰাল স্থাপন কৰিছিল, এই পুথিভঁৰালটোত থকা কিতাপৰ সংকলনৰ সংখ্যা দহ হাজাৰৰো অধিকলৈ বৃদ্ধি পাইছে।

- চি মাধৱন সোঁৱৰণী পঠন হল (চি. মাধৱন স্মাৰকা বায়নশালা), পিনাৰায়ি। কেৰালাত ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ প্ৰথম সন্মিলন ১৯৩৯ চনত পিনাৰায়িত

গোপনে অনুষ্ঠিত হৈছিল। তাৰ দুই দশকৰ পিছত প্ৰগতিশীল যুৱ সংগঠন শ্ৰী নাৰায়ণ আশ্ৰীতা যুৱ জনসংঘই সমাজকৰ্মী চি মাধৱন স্মাৰক পুথিভঁৰাল নিৰ্মাণ কৰে। ইয়াত প্ৰতি বছৰে স্থানীয় অনুদান ব্যৱস্থাৰ জৰিয়তে হাজাৰ হাজাৰ কিতাপ সংগ্ৰহ কৰি সংৰক্ষণ কৰা হয়। সেই সামূহিক মনোভাৱটো সম্প্ৰসাৰিত হৈছে: এতিয়া সেই অঞ্চলত যদি নতুন ঘৰ নিৰ্মাণ কৰা হয়, তেন্তে পুথিভঁৰালৰ নামত ওচৰতে এজোপা ফলমূলৰ গছ ৰোপণ কৰা হয়।

- কুলাপ্পুৰম ৰিডিং হল এণ্ড লাইব্ৰেৰী (কুলাপ্পুৰম বায়নাশালা আৰু গ্ৰন্থালায়ম), এঝোম। ১৯৫০ চনত এঝোমৰ বিভিন্ন গাঁৱৰ শিপিনীসকলে ইয়ং মেন'ছ ক্লাব নামৰ এটা পঢ়া কোঠা নিৰ্মাণ কৰিছিল। সেই পঢ়া কোঠাটো এতিয়া তিনি মহলীয়া শীততাপ নিয়ন্ত্ৰিত পুথিভঁৰাল, য'ত এতিয়া ৰাজহুৱা অনুষ্ঠানৰ বাবে ঠাই, এখন বৃহৎ খেলপথাৰ আৰু এখন শাক-পাচলিৰ বাগিচা আছে। পুথিভঁ-ৰালটোৱে মহিলাসকলৰ বাবে কিতাপ ডেলিভাৰী আৰু মটৰ চাইকেল ড্ৰাইভিং ক্লাছকে ধৰি অনন্য সামাজিক সেৱাও আগবঢ়াই যিয়ে এশৰো অধিক মহিলাক ড্ৰাইভিং লাইচেন্স লাভ কৰাত সহায় কৰিছে। ২০০৮ চনত পুথিভঁৰালটোৱে কান্নুৰৰ পৰিয়াৰামৰ চৰকাৰী চিকিৎসা মহাবিদ্যালয়ৰ স্বাস্থ্যকৰ্মীসকলৰ সৈতে অংশীদাৰিত্ব কৰি গাঁওখনৰ ৭০০টা ঘৰ পৰিদৰ্শন কৰে। চিকিৎসক আৰু লাইব্ৰেৰিয়ানসকলে অঞ্চলটোৰ প্ৰতিটো ঘৰলৈ গৈ স্বাস্থ্যৰ তথ্য সংগ্ৰহ আৰু পৌৰসভাৰ সেৱাৰ বিষয়ে তথ্য প্ৰদান কৰে।

- হ'মলেণ্ড উন্নীতকৰণ পঠন হল আৰু ৰাজহুৱা পুথিভঁৰাল (দেশধাৰাণ বায়না-শালা আৰু ৰাজহুৱা পুথিভঁৰাল), চালা। এখন খেজুৰ বাগিচাৰ কাষত অৱস্থিত এই পুথিভঁৰালটো ১৯৬০ চনত বিড়ি পকোৱা (ভাৰত উপমহাদেশৰ শ্ৰমিকৰ মাজত জনপ্ৰিয় হাতেৰে মেৰিয়াই লোৱা চিগাৰেট), কাপোৰ বোৱা, আৰু বিভিন্ন ধৰণৰ দৈনিক কাম কৰা কৃষকসকলে প্ৰতিষ্ঠা কৰিছিল। এই কৃষকসকলে নিজেই ধন গোটাই পঢ়া-শুনা আৰু চিন্তা-চৰ্চাৰ বাবে এখন ঠাই গঢ়ি তুলিছিল। আজি এই পুথিভঁৰালটোত প্ৰায় ৯ হাজাৰ খন কিতাপ আছে।

- থালিয়ান ৰমন নাম্বিয়াৰ সোঁৱৰণী ৰাজহুৱা পঠন হল (থালিয়ান ৰমন নাম্বিয়াৰ স্মাৰকা পোতুজানা বায়নাশালা), কাভুম্বাই। ১৯৪৬ চনত কাভুম্বাইত কৃষক বিদ্ৰোহৰ সময়ত গ্ৰেপ্তাৰ হোৱা আগশাৰীৰ কৰ্মী থালিয়ান ৰমনক চাৰি বছৰৰ পিছত চেলেম কাৰাগাৰত সংঘটিত হত্যাকাণ্ডত আৰক্ষীয়ে হত্যা কৰিছিল। ১৯৬২ চনত স্থানীয় কৃষকসকলে তেওঁৰ সন্মানত এই পুথিভঁৰালটো নিৰ্মাণ কৰিছিল।

- এভন লাইব্ৰেৰী, কাৰিভেল্লুৰ। এভন ক্লাব হিচাপে আৰম্ভ হোৱা এই অনুষ্ঠানটো ১৯৭৩ চনত এভন লাইব্ৰেৰীলৈ ৰূপান্তৰিত কৰা হয়, য'ত আজি ১৭,৫৭৪ খন

কিতাপ আছে আৰু ৬১৯ জন সদস্য আছে। এই পুথিভঁৰালটোৱে শিশুসকলৰ বাবে পঢ়াৰ ব্যৱস্থা কৰে, চলচ্চিত্ৰ প্ৰদৰ্শন কৰে, বৃদ্ধসকলৰ ঘৰত কিতাপ পঠোৱাৰ ব্যৱস্থা ৰৰে। এই পুথিভঁৰালটোৰ এটা স্থানীয় ইতিহাস গোটে স্থানীয় গৱেষকসকলে লিখা দুখন ইতিহাসৰ থিছিছৰ ইনকিউবেটৰ হিচাপে কাম কৰি আহিছে।

মহামাৰীৰ সময়ত পুথিভঁৰাল আন্দোলনৰ আন্তঃগাঁথনি সকলোকে সুৰক্ষিত ৰখা আৰু ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা অব্যাহত ৰাখিবলৈ সক্ষম কৰাত মূল আছিল। ইয়াৰ এটা উল্লেখযোগ্য উদাহৰণ হ'ল জিলাখনৰ আদিবাসী (জনজাতীয়) অঞ্চলসমূহৰ সামাজিক উন্নয়নক প্ৰসাৰিত কৰাৰ লক্ষ্যৰে কান্নুৰত আৰম্ভ হোৱা নেটৱৰ্ক প্ৰকল্প। চিপিআই(এম)ৰ ৰাজনীতিবিদ তথা ভাৰতৰ ৰাজ্যসভাৰ (সংসদৰ উচ্চ সদন) সদস্য ড° ভি শিৱদাসনে নেতৃত্ব দিয়া এই প্ৰকল্পটো অতি সোনকালেই পিপলছ মিছন ফৰ ছ'চিয়েল ডেভেলপমেণ্ট (পিএমএছডি)ৰ অবিচ্ছেদ্য অংগ হৈ পৰিল, যিটো ট্ৰাষ্টৰ অধীনত কান্নুৰ জিলা পুথিভঁৰাল পৰিষদৰ মুখ্য পৃষ্ঠপোষক হৈছে কেৰালাৰ মুখ্যমন্ত্ৰী পিনাৰায়ী বিজয়ন আৰু অধ্যক্ষ হৈছে শিৱদাসন। পিএমএছডিয়ে কেৰালাৰ প্ৰতিটো ৱাৰ্ডত (ভাৰতীয় প্ৰশাসনিক ব্যৱস্থাৰ আটাইতকৈ সৰু নিৰ্বাচনী খণ্ড) এটা পুথিভঁৰাল সৃষ্টি কৰাত সহায় কৰাৰ বাবে শপত লৈছে। এই পদক্ষেপৰ অংশ হিচাপে পিএমএছডিয়ে কান্নুৰ বিশ্ববিদ্যালয় আৰু কেৰালাৰ পুথিভঁৰাল পৰিষদৰ সৈতে লগ হৈ ২০২৩ চনৰ জানুৱাৰী মাহত প্ৰথম ভাৰতীয় পুথিভঁৰাল কংগ্ৰেছ আয়োজন কৰিছিল য'ত প্ৰায় পাঁচ লাখ লোকে অংশগ্ৰহণ কৰিছিল। এই পুথিভঁৰাল কংগ্ৰেছ সফল কৰি তুলিবলৈ আয়োজকসকলে বিভিন্ন বিষয়ৰ ওপৰত ১৫০০ খন আলোচনা চক্ৰ অনুষ্ঠিত কৰিছিল। যোগদানকাৰীসকলৰ ভিতৰত আছিল ৩,০০০ লাইব্ৰেৰিয়ান, যাৰ লগত স্থানীয় স্বয়ত্বশাসিত প্ৰতিষ্ঠানৰ কৰ্মচাৰী, চৰকাৰী বিষয়া, সমবায় কৰ্মী, ছাত্ৰ-ছাত্ৰী, শিক্ষক আদিয়ে যোগদান কৰিছিল।

ভাৰতীয় পুথিভঁৰাল কংগ্ৰেছ তলত উল্লেখ কৰা ধাৰণাসমূহৰ প্ৰচাৰৰ বাবে সমগ্ৰ ভাৰতৰ বিভিন্ন ৰাজ্যত আয়োজন কৰা বাৰ্ষিক অনুষ্ঠানত পৰিণত হৈছে:

1. যিমান পাৰি সিমান ঠাইত পুথিভঁৰাল থাকিব লাগিব, আৰু এই পুথিভঁৰালবোৰ কেৱল কিতাপৰ ভঁৰাল নহয়, সম্ভৱপৰ আটাইতকৈ উন্নত প্ৰযুক্তিৰ ভঁৰাল হ'ব লাগিব।

2. এই পুথিভঁৰালসমূহ কেৱল নগৰ অঞ্চলতে নহয়, উত্তৰ-পূব কেৰালাৰ ৱায়ানাদৰ পাহাৰীয়া অঞ্চলৰ দৰে গ্ৰাম্য আৰু দুৰ্গম অঞ্চলতো স্থাপন কৰিব লাগিব।

3. এই পুথিভঁৰালসমূহ সমগ্ৰ সম্প্ৰদায়সমূহৰ বাবে এক গুৰুত্বপূৰ্ণ আৰু সক্ৰিয় ৰাজহুৱা স্থান হোৱাৰ লগতে সাংস্কৃতিক উন্নয়নৰ বাবে ইনকিউবেটৰ আৰু চিনেমা প্ৰদৰ্শন, ক্ৰীড়া, কলা-শিল্প মেলা, উৎসৱ, আৰু বৃত্তিমূলক প্ৰশিক্ষণ শ্ৰেণীৰ দৰে কাৰ্য্যকলাপ আয়োজনৰ কেন্দ্ৰ হ'ব লাগিব। এই পুথিভঁৰালসমূহৰ কাষতে স্বাস্থ্য কেন্দ্ৰ আৰু বিজ্ঞানৰ শ্ৰেণী স্থাপন কৰিব লাগিব।

পুথিভঁৰাল আন্দোলনটো দৈনন্দিন কৰ্মৰত শ্ৰমজীৱি লোকে গঢ়ি তুলিছে। তাৰ ভিতৰত আছে পয়্যান্নুৰ অনুৰৰ ৰাজন ভি পি, ষষ্ঠ শ্ৰেণীলৈ শিক্ষা লাভ কৰা এজন বিড়ি কৰ্মী। কম বয়সতে যেতিয়া ৰাজনে বিড়ি কাৰখানাত কাম কৰিবলৈ আৰম্ভ কৰিছিল, তেতিয়া শ্ৰমিকসকলে পাল পাতি দুপৰীয়াৰ আহাৰ গ্ৰহণৰ আগতে ইজনে সিজনক উচ্চস্বৰে দৈনিক বাতৰি কাকত আৰু দুপৰীয়াৰ আহাৰ গ্ৰহণৰ পিছত এখন উপন্যাস পঢ়াৰ প্ৰথা দেখি আপ্লুত হৈছিল। এই প্ৰথা কিউবাৰ চিগাৰ কাৰখা-নাসমুহতো দেখিবলৈ পোৱা যায়। পঢ়াই ৰাজনক আৰু অধিক পঢ়া-শুনা কৰিবলৈ অনুপ্ৰাণিত কৰিলে, যাৰ ফলত তেওঁ ঘৰৰ ওচৰৰ সমবায় বেংকত কেৰাণীৰ নতুন চাকৰি এটা পাবলৈ সক্ষম হ'ল। ২০০৮ চনত তেওঁ বেংকৰ মেনেজাৰ হৈ পৰিল। সেই বছৰতে ৰাজনে পিপলছ লাইব্ৰেৰী আৰু ৰিডিং ৰুম স্থাপন কৰিছিল, যিটো এতিয়া ফুলি উঠি চহৰখনৰ সাংস্কৃতিক জীৱনৰ কেন্দ্ৰবিন্দু হৈ পৰিছে।

পুথিভঁৰাল আন্দোলনৰ আন এগৰাকী অন্যতম ব্যক্তি হ'ল ৰাধা ভি পি (বয়স ষাঠি), সপ্তম শ্ৰেণীলৈকে শিক্ষা লাভ কৰা এগৰাকী বিড়ি কৰ্মী ৰাধা কম বয়সতে ঘৰৰ মুৰব্বী হৈ পৰিছিল। সৰুতে চিপিআই(এম)ৰ সাপ্তাহিক আলোচনী দেশভিমণি পঢ়িবলৈ আৰম্ভ কৰিছিল আৰু ইয়াৰ গল্প আৰু কবিতাৰ ওপৰত মন্তব্য প্ৰকাশ কৰি সম্পাদকলৈ চিঠি লিখিবলৈ আৰম্ভ কৰিছিল। ২০০২ চনত ৰাধাই ভ্ৰাম্যমাণ জৱাহৰ লাইব্ৰেৰী(আগৰ বছৰ প্ৰতিষ্ঠা হোৱা)ত যোগদান কৰে, যিয়ে পাঠকৰ ঘৰলৈ বিশেষকৈ মহিলা আৰু বৃদ্ধসকলৰ ওচৰলৈ কিতাপ লৈ যোৱাৰ ব্যৱস্থা কৰে। ৰাধাই এহাতত পুথিভঁৰালৰ পঞ্জীয়ন বহী আৰু কান্ধত কিতাপ ভৰ্তি বেগ এটা লৈ কামৰ অন্তত প্ৰতিঘৰলৈ কিতাপ অনাৰ দৃশ্যই অতি সোনকালেই স্থানীয় লোকৰ বাবে আনন্দৰ উৎস হৈ পৰিল। ২০১৮ চনত ৰাধাই দশম শ্ৰেণী শেষ কৰি উচ্চ শিক্ষাৰ বাবে যোগ্যতা অৰ্জন কৰিবলৈ প্ৰয়োজনীয় ৰাজ্যিক পৰীক্ষাত উত্তীৰ্ণ হয়। তথাপিও পঢ়া-শুনা আৰু কামৰ মাজতো পুথিভঁৰালৰ প্ৰতি তেওঁৰ দায়বদ্ধতা কেতিয়াও কমা নাছিল। 'এইটো এনে এটা কাম যিটো মই ভাল পাওঁ,' তেওঁ কয়। 'মই কেতিয়াও বেগটো গধুৰ অনুভৱ কৰা নাছিলো, কিয়নো কিতাপবোৰৰ সুবাসে মোক সদায় অপৰিসীম সুখ দিছিল।'

ৰাজন আৰু ৰাধাৰ দৰে শ্ৰমিক লোকে সমগ্ৰ কেৰালাত ফুলি উঠা পুথিভঁৰাল আন্দোলনৰ আঁৰৰ মানৱীয় পদক্ষেপক মূৰ্ত কৰি তুলিছে।

# জাপানৰ পৰা জোনলৈকে ৰেড বুক্‌ছ ডে’

২০১৯ চনৰ ২১ ফেব্ৰুৱাৰীত চি পি আই (এম)ৰ সৈতে জড়িত প্ৰকাশকৰ এটা গোট ইণ্ডিয়ান ছ’চাইটি ফৰ লেফ্ট পাব্লিচাৰ্ছে ‘ৰঙা কিতাপ দিৱস’ নামেৰে এটা দিৱস আৰম্ভ কৰে। দ্য কমিউনিষ্ট মেনিফেষ্টোৰ প্ৰকাশৰ ১৭১ বছৰীয়া জয়ন্তী আৰু আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱসৰ স্মৃতিত এই অনুষ্ঠানটোৱে ধৰ্মনিৰপেক্ষ, সাংস্কৃতিক আৰু সমাজবাদী ভিত্তিত সামূহিক জীৱনক উদ্ধাৰ কৰিবলৈ চেষ্টা কৰি আহিছে। ৰঙা কিতাপ দিৱসে অতি সোনকালেই বিশ্বৰ বিভিন্ন প্ৰকাশকৰ দৃষ্টি আকৰ্ষণ কৰে আৰু ২০২০ চনলৈকে দক্ষিণ কোৰিয়াৰ পৰা কিউবালৈকে ৩০ হাজাৰতকৈ অধিক লোকে এই দিৱস উদযাপন কৰিবলৈ আৰম্ভ কৰে। ২০২৪ চনৰ ভিতৰত ৰঙা কিতাপ দিৱসৰ অনুষ্ঠানত ইণ্ডোনেছিয়াৰ পৰা চিলিলৈকে ১০ লাখতকৈ অধিক অংশগ্ৰহণকাৰীয়ে (ইয়াৰে ডেৰ লাখ কেৱল কেৰালাত) ভাগ লৈ ইয়াৰ সৌষ্ঠৱ বৃদ্ধি কৰিছিল।

ভাৰতৰ সীমাৰ বাহিৰলৈ উদযাপন বিস্তৃত হোৱা এই দিৱস প্ৰথম বছৰ ২০২০ চনত কৃষক সংগঠন আৰু ট্ৰেড ইউনিয়নৰ সদস্যসকলে সমগ্ৰ তামিলনাডুৰ সৰু সৰু গাঁওবোৰত পথত প্লাষ্টিকৰ চকীৰ বৃত্ত স্থাপন কৰি দ্য কমিউনিষ্ট মেনিফেষ্টোৰ বিষয়ে আলোচনা কৰে। ইফালে ব্ৰাজিলৰ ভূমিহীন শ্ৰমিক আন্দোলনৰ (এম এছ টি) বসতিস্থলসমূহত কাৰ্নাভাল উৎসৱৰ সময়ত সদস্যসকলে একেলগে বহি পাল পাতি উচ্চস্বৰে পঢ়িছিল। নেপালৰ পাহাৰত কৃষি শ্ৰমিক সংঘই তেওঁলোকৰ নিজৰ ৰঙা কিতাপৰ আলোচনা অনুষ্ঠিত কৰাৰ বিপৰীতে তাঞ্জানিয়াৰ ভূমিহীন কৃষকসকলে সাক্ষৰতাৰ গুৰুত্বৰ ওপৰত আলোচনা কৰিছিল।

চাৰি বছৰৰ পাছত কিউবাৰ দহদিনীয়া হাভানা গ্ৰন্থমেলাত ২১ ফেব্ৰুৱাৰী তাৰিখে ৰঙা কিতাপ দিৱসৰ বিশেষ ধাৰাবাহিক অনুষ্ঠানৰ বাবে সময় নিৰ্ধাৰণ কৰা হয়। কেৰালাত চেম পাৰ্বতীয়ে ৰেড বুকছ ডে’ৰ ভিডিঅ’ প্ৰস্তুত কৰিছিল য’ত তেওঁ তিৰুৱনন্তপুৰমৰ বজাৰ আৰু বিভিন্ন কাৰখানাত ইণ্টাৰনেশ্যনেলৰ ফৰাচী সংস্কৰণত নাচি থকা দেখা গৈছিল। সাগৰৰ পাৰত চেম পাৰ্বতীয়ে কমিউনিষ্ট পতাকা লৈ উচ্ছ শিখৰত উপনীত হওঁতে গীতটো শেষ হৈছিল, পিছফালে দিগন্তত দেখা গৈছিল ৰঙা সূৰ্য্যটো। তেওঁৰ ভিডিঅ’টোৰ সমান্তৰালভাৱে বিশ্বৰ বিভিন্ন প্ৰান্তৰ শিল্পীসকলে দিনটোক স্মৰণ কৰিবলৈ মৌলিকভাৱে পোষ্টাৰ ডিজাইন কৰিছিল আৰু অধিক সংখ্যক লোকক নিজৰ স্থানীয় অঞ্চলত পঠন আৰু পৰিৱেশনৰ আয়োজন কৰিবলৈ উৎসাহিত কৰিছিল।

ৰেড বুকছ ডে ২০২০ ৰ প্ৰথমটো আন্তঃৰাষ্ট্ৰীয় উদযাপনৰ প্ৰস্তুতিৰ বাবে ইণ্ডিয়ান ছ’চাইটি অৱ লেফ্ট পাব্লিচাৰ্ছে বিশ্বৰ বিভিন্ন প্ৰান্তৰ প্ৰকাশকৰ মাজত সভাৰ আহ্বান




চালভাটোৰ কাৰ্লিঅ’ (ইটালি/পটেৰে আল পপোলো!)ৰ শিল্পকৰ্ম।

ৰেড বুকছ ডে'ক লৈ নিৰ্মাণ কৰা ছেম পাৰ্বতীৰ ভিডিও

কৰিছিল। এই বৈঠকসমূহৰ ফলত আন্তৰ্জাতিক বাওঁ প্ৰকাশক সংঘ (IULP) গঠন হয়, য'ত এতিয়ালৈ পঞ্চল্লিশ টা প্ৰকাশক গোষ্ঠীক অন্তৰ্ভুক্ত কৰা হৈছে। ই কেৱল ৰঙা কিতাপ দিৱসৰ প্ৰচাৰৰ বাবেই নহয়, বাওঁপন্থী প্ৰকাশকসকলে সোঁপন্থীৰ আক্ৰমণৰ পৰা ৰক্ষা পাবলৈ আৰু অধিক ব্যাপকভাৱে যুক্তিবাদী আৰু সমাজবাদী ধাৰণাক আগুৱাই নিয়াৰ বাবেও এক মঞ্চ প্ৰদান কৰিবলৈ গঠন কৰা হৈছিল। আই ইউ এল পিয়ে ৰোমানিয়ানৰ পৰা ইণ্ডোনেছিয়ানলৈকে বিভিন্ন ভাষাত (চে গুৱেভাৰাৰ লেখা আৰু পেৰিছ কমিউনৰ স্মৃতিকে ধৰি) কেইবাখনো যৌথ গ্ৰন্থ প্ৰস্তুত কৰি উলিয়াইছে আৰু আক্ৰমণৰ সন্মুখীন হোৱা লেখক তথা প্ৰকাশকসকলৰ হকে বিবৃতি প্ৰকাশ কৰিছে।


পুথিভঁৰাল আন্দোলনে সমগ্ৰ কেৰালাৰ ৰাজহুৱা পুথিভঁৰালসমূহত ৰঙা কিতাপ দিৱসৰ অনুষ্ঠান অনুষ্ঠিত কৰি আহিছে আৰু সাংস্কৃতিক কৰ্মীসকলে গান গোৱা, অভিনয় কৰাৰ লগতে লাখ লাখ লোকে যুক্তিবাদ আৰু সমাজবাদৰ প্ৰতিশ্ৰুতিৰ স্পৃহাক আগুৱাই নিছে।

ৰঙা কিতাপ দিৱস হৈছে ৰঙা কিতাপ লিখা, প্ৰকাশ আৰু পঢ়াৰ অধিকাৰ ৰক্ষাৰ বাবে আৰু যুক্তিক ওফৰাই পেলোৱা সমসাময়িক অস্পষ্টতাবাদী ধাৰণাসমূহৰ বিৰুদ্ধে যুঁজিবলৈ কৰা বহল সাংস্কৃতিক সংগ্ৰামৰ অংশ। আশা কৰা হৈছে যে এই দিনটো আই ইউ এল পিৰ বাহিৰলৈ গৈ প্ৰগতিশীল শক্তিসমূহৰ কেলেণ্ডাৰত এক গুৰুত্বপূৰ্ণ তাৰিখ হিচাপে পৰিগণিত হ'ব। আই ইউ এল পি আৰু বাওঁপন্থী সোঁতৰ বহু আতঁৰৰ ব্যক্তি তথা সংগঠনে ৰঙা কিতাপ দিৱসক আকোৱালি লৈছে কাৰণ ই নিজেই এক শক্তিত পৰিণত হৈছে আৰু অন্যান্য প্ৰগতিশীল শক্তিসমূহৰ কেলেণ্ডাৰৰ এক গুৰুত্বপূৰ্ণ তাৰিখ হৈ পৰিছে। এই দশকৰ শেষলৈ আমি আশা কৰিব পাৰোঁ যে ৰঙা কিতাপ দিৱসত দহ নিযুতকৈ অধিক লোকে অংশগ্ৰহণ কৰিব।

১৯৩০ চনত উত্তৰ ককেছাছৰ জৰ্জিয়াভস্কিৰ সামূহিক ফাৰ্মৰ মহিলাসকলে ছোভিয়েট চৰকাৰলৈ এখন চিঠি লিখিছিল। ‘অৱশ্যেই বৃহৎ পাম সঠিকভাৱে পৰিচালনা কৰিব পৰাকৈ আমি অধ্যয়ন কৰিব লাগিব’, তেওঁলোকে লিখিছিল, “আমি গোটেই শীতকালটো পঢ়িব বিচাৰোঁ; লিখা-পঢ়া শিকিবলৈ; ৰাজনৈতিক জ্ঞান আৰু বৈজ্ঞানিক কৃষিৰ মৌলিক দিশসমূহ অধ্যয়ন কৰিবলৈ।আমাক আৰু কিতাপ, বহী দিয়ক, কাৰণ মহিলাসকলৰ মাজত পঢ়াৰ ইচ্ছা অতি বেছি।” এই মহিলাসকলৰ ভিতৰৰ প্ৰায় পঞ্চাশ বছৰীয়া এগৰাকী মহিলী ফেক্লা গ’ল’ভচেংকোয়ে যোগ দিছিল, ‘যদি মই সঠিকভাৱে শিক্ষিত হ’ব নোৱাৰোঁ, তেন্তে মই মোৰ ব্ৰিগেডটো চম্ভালিব নোৱাৰোঁ। শিক্ষা এতিয়া বিলাসীতা নহয়, ই এক নিতান্তই প্ৰয়োজনীয়, পিয়াহত থকা মানুহৰ বাবে পানীৰ দৰে।’

জৰ্জিয়াভস্কিৰ মহিলাসকলৰ কথাৰ প্ৰতিধ্বনি ব্ৰিগেড টু ৰিড ইন ফ্ৰিডমৰ পালোমা চাইজ টেজেৰ’ৰ কথাৰ মাজতো পোৱা যায়, যিয়ে আমাক কয়:

> পঢ়া শুনা কৰা মানুহবোৰ হৈছে সমালোচনাত্মক চিন্তাধাৰা গঢ়ি তোলা মানুহ; তেওঁলোক ইউটোপিয়াৰ প্ৰচাৰক। নিজৰ ইতিহাস জানি তাক আকোৱালি লোৱা মানুহ আৰু নিজৰ শিপাক লৈ গৌৰব অনুভৱ কৰা মানুহ। পঢ়াই মানুহক বেছিকৈ সামাজিক কৰি তোলে; ই অভিজ্ঞতা আৰু তথ্যৰ ভাগ-বতৰা কৰে। কিতাপে আমাক আৰু আমাৰ ইতিহাসক জানিবলৈ আৰু বুজিবলৈ অনুমতি দিয়ে; ই আমাৰ চেতনাৰ মান উন্নত কৰি আমাৰ অতীত আৰু বৰ্তমানৰ বাহিৰলৈ প্ৰসাৰিত কৰে। পঢ়াই উন্নত নাগৰিকৰ সৃষ্টি কৰে। কিতাপৰ সহায়ত আমি অসম্ভৱক বিশ্বাস কৰিবলৈ শিকো, তথাকথিত বস্তুক অবিশ্বাস কৰিবলৈ, নাগৰিক হিচাপে আমাৰ অধিকাৰৰ দাবী কৰিবলৈ, আৰু নিজৰ কৰ্তব্য পালন কৰিবলৈ শিকো। পঢ়াই ব্যক্তিৰ ব্যক্তিগত আৰু সামাজিক বিকাশত প্ৰভাৱ পেলায়; ইয়াৰ অবিহনে কোনো সমাজেই আগবাঢ়িব নোৱাৰে।




ইংগ্ৰিড নেভেছ (ব্ৰাজিল/ট্ৰাইকণ্টিনেণ্টেল: ইনষ্টিটিউট ফৰ চোচিয়েল ৰিচাৰ্চ)ৰ শিল্পকৰ্ম।

Attribution-NonCommercial 4.0
International (CC BY-NC 4.0)

This publication is issued under a Creative Commons Attribution-NonCommercial 4.0 International (CC BY-NC 4.0) license. The human-readable summary of the license is available at https://creativecommons.org/licenses/by-nc/4.0/.

tricontinental

Tricontinental: Institute for Social Research
*is an international, movement-driven institution focused on stimulating intellectual debate that serves people's aspirations.*
www.thetricontinental.org

Instituto Tricontinental de Investigación Social
*es una institución promovida por los movimientos, dedicada a estimular el debate intelectual al servicio de las aspiraciones del pueblo.*
www.eltricontinental.org

Instituto Tricontinental de Pesquisa Social
*é uma instituição internacional, organizada por movimentos, com foco em estimular o debate intelectual para o serviço das aspirações do povo.*
www.otricontinental.org